**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-OCT-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। ৰাষ্ট্ৰীয় আইন মহাবিদ্যালয়ৰ তৃতীয় সমাৱৰ্তনত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ।
২। দুই লাখ যুৱক-যুৱতীক নিযুক্তি প্ৰদানৰ দিশে ৰাজ্য চৰকাৰ অগ্ৰসৰ।
৩। বৰাক উপত্যকাৰ পথ প্ৰকল্পসমূহ অহা বছৰৰ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰী কৌশিক ৰায়ৰ সংশ্লিষ্ট বিভাগলৈ নিৰ্দেশ।
৪। বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত ইণ্ডোনেছিয়া চীনৰ মুখামুখি। **আৰু**
৫। অহা বছৰৰ ২৫ জানুৱাৰীত গুৱাহাটীত ভাৰত-নিউজিলেণ্ড ক্ৰিকেট শৃংখলাৰ তৃতীয়খন টী-টুৱেণ্টি।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমীৰ তৃতীয় সমাৱৰ্তনত অংশগ্ৰহণ কৰি বিশ্ববিদ্যালয়খনক গৱেষণা আৰু নীতি সংক্ৰান্তীয় বিষয়ত গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। ড০ শৰ্মাই স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলক অভিনন্দন জনাই কয়, যে এই সমাৱৰ্তন হৈছে ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানখনৰ লগতে অসমৰ অগ্ৰগতিৰ ইতিবাচক পৰিচায়ক। মুখ্যমন্ত্ৰীয়ে শিক্ষাৰ্থীৰ সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়খনৰ অনন্য ভূমিকাৰ প্ৰশংসা কৰে। আইনৰ শিক্ষা ক্ষমতা লাভৰ বাবে নহয়, বৰঞ্চ ই ন্যায় প্ৰদানৰহে অস্ত্ৰ বুলি ড০ শৰ্মাই উল্লেখ কৰে। আইনৰ শিক্ষাই যুক্তিপূৰ্ণ আৰু মূল্যবোধৰ আধাৰত চিন্তা কৰিবলৈ শিকাই বুলি উল্লেখ কৰি তেওঁ যিকোনো গণতান্ত্ৰিক ৰাষ্ট্ৰৰ বাবে আইনী ব্যৱস্থা মেৰুদণ্ড স্বৰূপ বুলি মন্তব্য কৰে।

০০০০০০

ৰাজ্য চৰকাৰে চৰকাৰী চাকৰিত দুই লাখ যুৱক-যুৱতীক নিযুক্তি প্ৰদানৰ দিশে অগ্ৰসৰ হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি বোৰ্ডে কালি ৭ হাজাৰ ৬৫০ টা তৃতীয় বৰ্গৰ পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে ৰাজ্যৰ শিক্ষিত যুৱক-যুৱতীসকলৰ নিয়োগৰ পথ প্ৰশস্ত হৈছে। বিগত সময়ছোৱাত এক লাখ চাকৰিত নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে বৰ্তমান চৰকাৰ দুই লাখ নিযুক্তিৰ দিশে আগবাঢ়িছে। কালিৰ ফলাফলত উত্তীৰ্ণ প্ৰাৰ্থীসকলে ৫০ টা বিভাগত নিযুক্তি লাভ কৰিব। ইয়াৰ ভিতৰত কৃষি বিভাগত সৰ্বাধিক এহেজাৰ ৮৫০ টা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ৮৭৩ টা আৰু বিদ্যালয় শিক্ষা বিভাগত ৫৮১ টা পদ খালী আছে।

তৃতীয় বৰ্গৰ পদৰ ফলাফলৰ লগতে অসম আৰক্ষীৰ ৬২৫ টা পদৰ ফলাফলো কালি ঘোষণা কৰা হয়। আজি অসম আৰক্ষীৰ কনিষ্টবল পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। গুৱাহাটী উচ্চ ন্যায়ালয়ে কনিষ্টবল পদত থকা স্থগিতাদেশ প্ৰত্যাহাৰ কৰাৰ পাছত আজি ৫ হাজাৰ ৬১৪টা পদৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ কল্যাণকামী আঁচনিসমূহ পিছপৰা অঞ্চল তথা জনজাতীয়লোকে বাস কৰা এলেকাত সঠিকভাৱে ৰূপায়ণ কৰাৰ লক্ষ্যৰে চিৰাং জিলাত যোৱা ৮ অক্টোবৰৰ পৰা অনুষ্ঠিত হোৱা বিষয়াসকলৰ কৰ্মশালাৰ কালি সামৰণি পৰে। জনজাতীয় লোকসকলে যাতে চৰকাৰৰ বিকাশমুখী আঁচনিৰ সুবিধা লাভ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি জনজাতীয় পৰিক্ৰমা মন্ত্ৰালয়ে আদি কৰ্মযোগী অভিযান শীৰ্ষক বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই অনুসৰি

জনজাতি অধ্যুষিত গাঁওসমূহত সজাগতামূলক অভিযান চলোৱা হৈছে। চিৰাং জিলাত অনুষ্ঠিত আদি কৰ্মযোগী অভিযানৰ কৰ্মশালাত ৰাজ্যিক পৰ্যায়ৰ প্ৰশিক্ষণপ্ৰাপ্ত পাঁচগৰাকী প্ৰশিক্ষকে খণ্ড পৰ্যায়ৰ ১৩ গৰাকী বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্মশালাত অংশ লৈ জিলা আয়ুক্ত যতীন বৰাই গাঁও পৰিষদ উন্নয়ন সমিতিসমূহত একোটাকৈ **আদি** সেৱা কেন্দ্ৰ স্থাপন কৰা হ'ব আৰু প্ৰতিটো বিভাগৰ পৰা একোজনকৈ বিষয়াক নিয়োগ কৰা হ'ব বুলি উল্লেখ কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ খাদ্য, গ্ৰাহক পৰিক্ৰমা, খনিজ আৰু বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ে কালি কাছাৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰী শ্ৰীৰায়ে অঞ্চলটোৰ গুৰুত্বপূৰ্ণ পথ প্ৰকল্পসমূহ অহা বছৰৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে এন এইচ আই ডি চি এলক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত বৰাপানী-পাঁচগ্ৰাম এক্সপ্ৰেছৱে, শিলচৰ-চুৰাইবাৰী, শিলচৰ-জিৰিবাম, শিলচৰ বাইপাছকে ধৰি কেইবাটাও প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কেপিটেল পইণ্টৰ পৰা সোণাই ৰোডলৈ পথ মেৰামতিৰ কাম শীঘ্ৰে আৰম্ভ কৰিবলৈও নিৰ্দেশ দিয়ে। সভাত কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দিৰ বিধায়ক, জিলা আয়ুক্ত, প্ৰশাসনিক বিষয়া আৰু এন এইচ আই ডি চি এলৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

শিলচৰৰ বংগ ভৱনত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ তৃতীয় কাৰ্যনিৰ্বাহকৰ পূৰ্ণাংগ অধিৱেশন অনুষ্ঠিত হৈছে। কাছাৰ জিলা সাহিত্য সভাৰ সভাপতি ড০ যোগেশ্বৰ বৰ্মনে পতাকা উত্তোলনেৰে আৰম্ভ কৰিবলগীয়া এই কাৰ্যসূচীত স্মৃতিতৰ্পণ কৰা হ'ব। মন্ত্ৰী তথা আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি কৌশিক ৰায়ে এই অধিৱেশন উদ্বোধন কৰিব। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ পৌৰহিত্বত হ'বলগীয়া কাৰ্যনিৰ্বাহক সভাত বৰাক বৈভৱ শীৰ্ষক স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভাৰ পত্ৰিকা আৰু বাৰ্তা উন্মোচন কৰা হ'ব। অনুষ্ঠানত সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ মাধুৰ্য মন্দিত বৰুৱা আৰু লোকসংস্কৃতিৰ গৱেষক তথা মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ অনিল শইকীয়া উপস্থিত থাকিব।

০০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম-জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ধেমাজি গ্ৰামোন্নয়ন অভিকৰণ কাৰ্যালয় চৌহদত সোৱণশিৰি হাট নামৰ এটা বিপনন কেন্দ্ৰ উদ্বোধন কৰে। নাবাৰ্ড আৰু জিলা খনিজ ফাউণ্ডেছন ট্ৰাষ্টৰ সহযোগত এই বিপনন কেন্দ্ৰটো পুনৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। আত্মসহায়ক গোট আৰু চি এল এফ সকলে যাতে এখন সংগঠিত বজাৰত তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ প্ৰদৰ্শন আৰু বিক্ৰীৰ  সুবিধা লাভ কৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই বজাৰখনক নতুন ৰূপত নিৰ্মাণ কৰা হৈছে বুলি  শ্ৰী পেগুৱে উল্লেখ কৰে। তেওঁ লগতে এই বজাৰৰ জৰিয়তে স্থানীয় উৎপাদক তথা উদ্যোগীসকলে এখন নিৰ্ভৰযোগ্য মঞ্চ লাভ কৰিব বুলি প্ৰকাশ কৰে।

(বাইট)

০০০০০০

মাজুলীত এইবাৰ শ্ৰীশ্ৰীকৃষ্ণ ৰাসলীলা মহোৎসৱ জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰা হ'ব। মাজুলী জিলা উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত কালি অনুষ্ঠিত এখন ৰাজহুৱা সভাত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাখনত মাজুলীৰ ৭০ খন ৰাস মহোৎসৱৰ প্ৰতিনিধি উপস্থিত থাকে। এইবাৰ মাজুলীবাসীয়ে দেৱালী উৎসৱতো আটচবাজি পৰিহাৰ কৰা মাটিৰ চাকিৰে পোহৰৰ উৎসৱ উদযাপন কৰি জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাব বুলি একেখন বৈঠকতে সিদ্ধান্ত গ্ৰহণ কৰা হয়। মাজুলী সাংস্কৃতিক মহাবিদ্যালয়খন জুবিন গাৰ্গৰ নামেৰে নামকৰণ কৰা সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। এই বৈঠকত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, আৰক্ষী অধীক্ষক বিবেকানন্দ দাস উপস্থিত থাকে।

০০০০০০

ৰাজ্যৰ আন প্ৰান্তৰ লগতে দক্ষিণ শালমাৰা মানকাচৰ জিলাতো কাইলৈৰ পৰা তিনিদিনীয়াকৈ পলিঅ’ টীকাকৰণ কাৰ্যসূচী অনুষ্ঠিত হ’ব। জিলাখনৰ ৩২২টা স্থানত প্ৰায় ৮০ হাজাৰ শিশুক পলিঅ’ টীকা দিয়া হ’ব বুলি জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই এখন সংবাদমেলযোগে জানিবলৈ দিয়ে। তেওঁ কয়, যে কাইলৈ ৩২২টা স্থানত ৫ বছৰ তলৰ বয়সৰ শিশুক টীকাকৰণ কৰাৰ পাছত ১৩ আৰু ১৪ অক্টোবৰত ঘৰে ঘৰে গৈ টীকাকৰণৰ প্ৰস্তুতি হাতত লোৱা হ’ব।

**বাইট (ৰাহুল কুমাৰ গুপ্তা)**

লখিমপুৰ জিলাৰ ৮৬২টা স্থানত পলিঅ’ টীকাকৰণ কাৰ্যসূচী অনুষ্ঠিত হ’ব। জিলাখনৰ প্ৰায় এক লাখ ৪০ হাজাৰ শিশুক পলিঅ’ৰ টীকা দিয়া হ’ব।

oooooo

বিশ্বনাথ জিলাৰ গহপুৰত কালি বৃহৎ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত এই স্বাস্থ্য শিবিৰটো বিধায়ক উৎপল বৰাই উদ্বোধন কৰে। স্বাস্থ্য শিবিৰত ১৮ বছৰ অনূৰ্ধৰ দুই সহস্ৰাধিক শিশুৰ ৫০ বিধতকৈও অধিক স্বাস্থ্য জনিত অৱস্থাৰ বাবে চিকিৎসা সেৱা আগবঢ়োৱা হয়। স্বাস্থ্য শিবিৰত গহপুৰ সমজিলাৰ আয়ুক্ত, কাৰ্যবাহী দণ্ডাধীশসকল, স্বাস্থ্য বিভাগৰ বিষয়ববীয়া আৰু আন সংশ্লিষ্ট বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰে।

oooooo

আকাশবাণীৰ সৈতে সম্পৰ্ক আৰু আকাশবাণীৰ বৰ্তমানৰ অনুষ্ঠানসমূহৰ মান সম্পৰ্কত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে আগবঢ়োৱা মতামতে আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ’ব এটা বিশেষ দৃষ্টিপাত। এই অনুষ্ঠানত ভাগ ল’ব বিশিষ্ট বিজ্ঞানী কল্পবিজ্ঞান লেখক ড০ দীনেশ চন্দ্ৰ গোস্বামী। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়া ধীৰেন্দ্ৰ নাথ শইকীয়া, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন জ্যেষ্ঠ বিষয়া শেৱালী চৌধুৰী, বিশিষ্ট শিল্পী, বনচাই বিশেষজ্ঞ লাবু সেনাপতি আৰু জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মাই। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

oooooo

কামৰূপ জিলাৰ আমিনগাঁৱত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ ফাইনেলত আজি ইণ্ডোনেছিয়া চীনৰ মুখামুখি হ’ব। কালি অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ইণ্ডোনেছিয়াই ভাৰতক পৰাস্ত কৰে। আনহাতে দ্বিতীয়খন ছেমি ফাইনেলত চীনে জাপানক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখযোগ্য যে ছেমি ফাইনেলত পৰাস্ত হৈ ভাৰতে ব্ৰঞ্জৰ পদকতে ক্ষান্ত থাকে।

oooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত হ’বলগীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ এখন খেল গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অহা বছৰৰ ২৫ জানুৱাৰীত অনুষ্ঠিত হ’ব। শৃংখলাৰ তৃতীয়খন খেল গুৱাহাটীত অনুষ্ঠিত হ’ব বুলি অসম ক্ৰিকেট সংস্থাই কালি এখন প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে ভাৰত ভ্ৰমণসূচীত নিউজিলেণ্ডে তিনিখন এদিনীয়া আৰু ৫ খন টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় খেলত অংশ ল’ব।

oooooo

আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কলম্বোত হ’বলগীয়া এখন খেলত ইংলেণ্ড শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বজাৰ পৰা অনুষ্ঠিত হ’ব। ইংলেণ্ড বৰ্তমান পইণ্ট তালিকাৰ দ্বিতীয় স্থানত থকাৰ বিপৰীতে শ্ৰীলংকা সপ্তম স্থানত আছে।

আনহাতে, যোৱানিশা গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত খেলত নিউজিলেণ্ডে বাংলাদেশক ১০০ ৰানত পৰাস্ত কৰে। নিউজিলেণ্ড টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ বিনিময়ত ২২৭ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ব্ৰুক হেলিডে ৬৯ আৰু ছফী ডিভাইনে ৬৩ ৰান কৰে। প্ৰত্যুত্তৰত বাংলাদেশে ৩৯ অভাৰ ৫টা বলতে আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১২৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। নিউজিলেণ্ডৰ জেছ কেৰ আৰু লিয়া তাহুহুয়ে তিনিটাকৈ উইকেট দখল কৰাৰ লগতে ৰ’জমেৰী মাইৰে দুটা উইকেট লাভ কৰে। এই জয়ৰ

সুবাদত নিউজিলেণ্ড বৰ্তমান পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে। নিউজিলেণ্ডে এতিয়ালৈকে প্ৰতিযোগিতাৰ ৩ খন খেলৰ দুখনত পৰাজিত হৈছে। বাংলাদেশ সম্প্ৰতি ষষ্ঠ স্থানত আছে।

০০০০০০

ট্ৰাম্পক অগ্ৰাহ্য কৰি ভেনিজুৱেলাৰ লৌহ মানৱীলৈ শান্তিৰ ন'বেল বঁটা, পৰৱৰ্তী লোকপিয়ল সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ মিঞা মুছলমানক লৈ মন্তব্য, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ আই টিৰ তদন্ত, ৰাজ্যত কৃষি ভূমি তথা উৎপাদন হ্ৰাস আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

গণতান্ত্ৰিক অধিকাৰৰ বাবে সংগ্ৰাম কৰি অহা ভেনিজুৱেলাৰ বিৰোধী নেত্ৰী মাৰিয়া কোৰিনা মাছাডোলৈ ২০২৫ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা আগবঢ়োৱাৰ বাতৰিটো আজি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অসমত পৰৱৰ্তী লোকপিয়ল হ'লে মিঞা মুছলমানৰ জনসংখ্যা ৩৮ শতাংশলৈ বৃদ্ধি পাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰাৰ এটা বাতৰি **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**দ্যা ছেণ্টিনেল** কাকতে খিলঞ্জীয়া লোকৰ সুৰক্ষাৰ বাবে দুখন নতুন আইন প্ৰণয়ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰাৰ আন এটা বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ দুজন দেহৰক্ষীৰ একাউণ্টত এক কোটি টকাৰ লেনদেনৰ তথ্য লাভ কৰাৰ পাছতে এছ আই টিয়ে দুয়োজন দেহৰক্ষীক গ্ৰেপ্তাৰৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ছিংগাপুৰ আৰক্ষীয়ে শীঘ্ৰে তদন্ত প্ৰতিবেদন দাখিলৰ আন এটা বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৱে অসমৰ ৰাজনীতিত প্ৰভাৱ পেলোৱা বুলি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যত ক্ৰমাগত কৃষিভূমি সংকুচিত হৈ অহাৰ উপৰি উৎপাদন হ্ৰাস হৈছে বুলি কৃষি বিভাগৰ সূত্ৰতে প্ৰকাশ কৰা এটা গুৰুত্বপূৰ্ণ বাতৰি দৈনিক অসম কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

গেৰুকামুখৰ নামনি সোৱনশিৰি প্ৰকল্পৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় গোট কাৰ্যক্ষম কৰি তোলাৰ পাছত সংগোপনে বিদ্যুৎ উৎপাদন আৰম্ভ কৰাৰ এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

এ ডি আই ই পৰীক্ষাত ২৪ লাখ প্ৰাৰ্থীৰ ভিতৰত আঠ হাজাৰে নিযুক্তি লাভ কৰাৰ এটা বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত